# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-01-2025
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ ১১৮ সংখ্যক খণ্ডটিত দেশবাসীক সম্বোধন কৰি মহাকাশ খণ্ডত দেশৰ শেহতীয়া সাফল্যৰ প্ৰশংসা কৰে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাত অনুষ্ঠানত গণতন্ত্ৰত ৰাষ্ট্ৰীয় ভোটদাতা দিৱস আৰু নিৰ্বাচন আয়োগৰ গুৰুত্বৰ কথা উল্লেখ কৰে।

৩। অসমৰ নগাঁও জিলাৰ এখন গাঁৱৰ হাতী বন্ধু নামৰ সংগঠনটোৱে হস্তী, মানুহৰ সংঘাত দূৰ কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত উল্লেখ কৰে।

৪। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ছুইজাৰলেণ্ডৰ ডাভোছত হ'বলগীয়া বিশ্ব অৰ্থনৈতিক মঞ্চ ২০২৫ত অংশ ল'ব।

*আৰু*

৫। খো-খো বিশ্বকাপৰ ফাইনেলত ভাৰতে আজি নেপালৰ বিৰুদ্ধে খেলিব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ ১১৮ সংখ্যক খণ্ডটিত দেশবাসীক সম্বোধন কৰি মহাকাশ খণ্ডত দেশৰ শেহতীয়া সাফল্যৰ প্ৰশংসা কৰে। বাংগালুৰুত থকা ভাৰতীয় মহাকাশ প্ৰযুক্তি ষ্টাৰ্ট আপ পিকচেলৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে দেশৰ প্ৰথমটো ব্যক্তিগত উপগ্ৰহ নক্ষত্ৰ ফায়াৰফ্লাইৰ সফল উৎক্ষেপনৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে মহাকাশ ক্ষেত্ৰত ভাৰতৰ আত্মনিৰ্ভৰতাৰ ক্ষেত্ৰত এয়া এক উল্লেখযোগ্য সোপান। এই প্ৰযুক্তিৰ গুৰুত্বৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে মহাকাশ কেন্দ্ৰ আৰু ক্ৰু মিছনলৈ যোগান প্ৰেৰণৰ বাবে এই প্ৰযুক্তিৰ প্ৰয়োজন আছে। তেওঁ কয়, যে এনে সফলতা লাভ কৰা ভাৰত হৈছে পৃথিৱীৰ চতুৰ্থখন দেশ।

প্ৰধানমন্ত্ৰী মোদীয়ে সমাগত গণৰাজ্য দিৱস উপলক্ষে দেশৱাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে আমাৰ সংবিধান বলৱৎ হোৱা ৭৫ বছৰ পূৰ্তি উপলক্ষে এইবেলিৰ গণৰাজ্য দিৱসে বিশেষ তাৎপৰ্য বহন কৰিছে। এই প্ৰসংগতে তেওঁ সংবিধান সভাৰ সদস্যসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ বাবা চাহেব আম্বেদকাৰ, ডº ৰাজেন্দ্ৰ প্ৰসাদ আৰু ডº শ্যামাপ্ৰসাদ মুখাৰ্জীৰ কথা উল্লেখ কৰি কয়, যে এই সকল মহান নেতাৰ উচ্চ চিন্তাৰ পৰা দেশৱাসীয়ে প্ৰেৰণা লোৱা উচিত।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ জানুৱাৰীত উদযাপন কৰিবলগীয়া ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ বিষয়তো আলোকপাত কৰে। এই দিনটোতে ভাৰতৰ নিৰ্বাচন আয়োগ গঠন কৰা হৈছিল বাবে ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ বিশেষ তাৎপৰ্য আছে। তেওঁ কয়, যে সংবিধান প্ৰণেতাসকলে ভাৰতীয় নিৰ্বাচন আয়োগক সংবিধানত বিশেষ গুৰুত্ব

প্ৰদান কৰিছে। দেশৰ জনসাধাৰণে গণতন্ত্ৰত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় ভোটদাতা দিৱস আৰু নিৰ্বাচন আয়োগৰ ভূমিকাৰ কথাও তেওঁ গুৰুত্ব সহকাৰে উল্লেখ কৰে।

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই মেলা হৈছে সাম্য আৰু মহা মিলনৰ সন্মিলন। এই মেলাৰ মাজেৰে দেশৰ বৈচিত্ৰ্যৰ মাজত একতা উদযাপন কৰা হৈছে। তেওঁ কয়, যে প্ৰয়াগৰাজ, উজ্জয়নী, নাচিক আৰু হৰিদ্বাৰত কুম্ভমেলা আয়োজন কৰাৰ লেখীয়াকৈ গোদাবৰী, কৃষ্ণা, নৰ্মদা আৰু কাবেৰী নৈৰ পাৰত পুষ্কৰম অনুষ্ঠিত হয়। কুম্ভমেলাত বৃহৎ সংখ্যক যুৱ প্ৰজন্মৰ অংশগ্ৰহণৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দেশৰ যুৱ প্ৰজন্মই গৌৰৱময় সভ্যতাৰ সৈতে সংযুক্ত হৈ ইয়াৰ শিপা শক্তিশালী কৰি তুলিছে।

অযোধ্যাৰ ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠা পৰ্বৰ প্ৰথমবাৰ্ষিকী পূৰ্তিৰ এই সময়তে লাখ লাখ লোকে ৰামলালা দৰ্শন কৰি আশীৰ্বাদ লোৱাৰ বিষয়েও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ মন কী বাত অনুষ্ঠানত উল্লেখ কৰিছে।

মানুহ আৰু বন্য প্ৰাণীৰ সহাৱস্থানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যই আমাৰ চৌপাশৰ জীৱ-জন্তু আৰু চৰাইৰ সৈতে মৰম আৰু সহনশীলনতাৰে বসবাস কৰিবলৈ শিকাইছে। অসমৰ নগাঁও জিলাৰ এখন গাঁৱৰ কথা উল্লেখ কৰি তেওঁ কয়, যে গাঁওৱাসীয়ে হাতী বন্ধু নামৰ এটা সংগঠনৰ জৰিয়তে বনৰীয়া হাতীৰ বাবে এটা ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। গাঁওৱাসীয়ে ৮০০ বিঘা বানাক্ৰান্ত ভূমিত হাতীৰ খাদ্যৰ বাবে ঘাঁহ ৰোপণ কৰিছে। শ্ৰীমোদীয়ে ছত্তিশগড়ৰ গুৰু ঘাচীদাস- টোমৰ পিঙলা বাঘ সংৰক্ষিত বনাঞ্চল আৰু মধ্যপ্ৰদেশৰ ৰাতাপানী বাঘ সংৰক্ষিত বনাঞ্চল গঠনৰ বাবে সুখী হোৱা বুলি প্ৰকাশ কৰে। ষ্টাৰ্ট আপ ইণ্ডিয়াৰ ৯ বছৰ সম্পূৰ্ণ হোৱা প্ৰসংগত শ্ৰীমোদীয়ে কয়, যে দেশৰ ষ্টাৰ্ট আপ সংস্কৃতি কেৱল ডাঙৰ ডাঙৰ চহৰতে সীমাবদ্ধ হৈ থকা নাই। বৰং এই সংস্কৃতি টু টায়াৰ আৰু থ্ৰী টায়াৰ চহৰলৈ সম্প্ৰসাৰিত হৈছে।

নেতাজী সুভাষ চন্দ্ৰ বসুক স্মৰণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে অহা ২৩ জানুৱাৰীত নেতাজীৰ জন্মদিন দেশে পৰাক্ৰম দিৱস হিচাপে পালন কৰিব। নেতাজীক এগৰাকী দুৰদৰ্শী নেতা হিচাপে অভিহিত কৰি শ্ৰীমোদীয়ে কয়, যে নেতাজী স্বভাৱতে এগৰাকী সাহসী লোক আছিল। অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ নাগৰিক দীপক নাৱামৰ বিষয়েও শ্ৰীমোদীয়ে মন কী বাতত উল্লেখ কৰে। সমাজ আৰু পৰিৱেশৰ উন্নয়নৰ বাবে কাম কৰি অহা দীপক নাৱামে মানসিকভাৱে অসুস্থ, শাৰীৰিক প্ৰতিবন্ধী লোক, বৃদ্ধ আৰু নিচাযুক্ত দ্ৰব্য সেৱনকাৰী লোকসকলৰ যত্ন লৈ আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিকোবৰৰ নাৰিকল তেলে জি আই টেগ লাভ কৰা কাৰ্যতো সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়, যে এই তেল উৎপাদনত আত্মসহায়ক গোটৰ মহিলাসকল জড়িত হৈ আছে। জনগোষ্ঠীসমূহক অৰ্থনৈতিকভাৱে সবল কৰি তোলাত এই ধৰণৰ কাৰ্যই বিশেষ ভূমিকা পালন কৰিছে বুলিও শ্ৰীমোদীয়ে তেওঁৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে।

আজি দিনৰ ১১ বজাত প্ৰচাৰ হোৱা এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে প্ৰচাৰ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হৈছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিছে। নিশা ৮ বজাত মন কী বাতৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক হিচাপে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। ১৯৯১ বেটছৰ অসম-মেঘালয় কেডাৰৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াগৰাকীক ২০২৩ চনৰ ৩১ জানুৱাৰীত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছিল।

০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈৰ পৰা ছুইজাৰলেণ্ডৰ ডাভোছত হ'বলগীয়া বিশ্ব অৰ্থনৈতিক মঞ্চ ২০২৫ত অংশ ল'ব। ভ্ৰমণৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে সমাজৰ সকলো শ্ৰেণীৰ উন্নয়ন নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে পাঁচদিনীয়া এই অনুষ্ঠানত সৰ্বাংগীন উন্নয়ন, সামাজিক তথা ডিজিটেল আন্তঃগাঁথনি বিনিয়োগ আৰু প্ৰযুক্তিৰ গণতান্ত্ৰিকৰণৰ বিষয়ে আলোচনাত মিলিত হ'ব। ইয়াৰ উপৰিও মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত ভাৰতৰ পৰিৱৰ্তনশীল ডিজিটেল যাত্ৰাৰ প্ৰতি সমগ্ৰ বিশ্বই দেখুওৱা আগ্ৰহৰ বিষয়তো গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে ভাৰতৰ অৰ্থনৈতিক নীতি, ডিজিটেল পৰিৱৰ্তন আৰু সমাজৰ সকলো স্তৰৰ নাগৰিকক সবলীকৰণৰ বাবে ব্যৱহৃত প্ৰযুক্তিৰ ধৰণ বুজিবলৈ সমগ্ৰ বিশ্ব আগ্ৰহী।

০০০০০০০

উত্তৰ ৰে'ল সংমণ্ডলে মহাকুম্ভ মেলালৈ যোৱা তীৰ্থ যাত্ৰীসকলৰ সুবিধাৰ্থে শ্ৰীমাতা বৈষ্ণো দেৱী ৰে'ল ষ্টেচন, কাটৰা আৰু প্ৰয়াগৰাজৰ মাজত ৩ খন বিশেষ ৰে'ল চলাচলৰ কথা ঘোষণা কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদাদাতই জনোৱা মতে, ২৪ জানুৱাৰীৰ পুৱতি নিশা ৩ বাজি ৫০ মিনিটত শ্ৰীমাতা বৈষ্ণো দেৱী কাটৰা ষ্টেচনৰ পৰা প্ৰথমখন ৰে'লে যাত্ৰা কৰি ২৫ জানুৱাৰীত প্ৰয়াগৰাজৰ পৰা উভতি আহিব। ইয়াৰ পাছৰ দুখন ৰে'লে অহা ৭ আৰু ১৪ ফেব্ৰুৱাৰীত যাত্ৰা কৰিব। দুয়োখন ৰে'লে নিৰ্ধাৰিত তাৰিখৰ পুৱতি নিশা ৩ বাজি ৫০ মিনিটত যাত্ৰা আৰম্ভ কৰি পাছদিনা সন্ধিয়া ৪ বাজি ২৫ মিনিটত প্ৰয়াগৰাজত উপস্থিত হ'ব। ইয়াৰ পাছত অহা ৮ আৰু ১৫ ফেব্ৰুৱাৰীত দুয়োখন ৰে'লে একেলগে প্ৰয়াগৰাজৰ পৰা সন্ধিয়া চাৰে ৭ বজাত উভতি আহি পৰৱৰ্তী নিশা ১০ বজাত কাটৰা ৰে'ল ষ্টেচনত উপস্থিত হ'ব।

০০০০০০০

ইজৰাইলে হামাছৰ সৈতে গাজাৰ যুদ্ধবিৰতি চুক্তিত বিলম্ব কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে, যে হামাছে মুক্তিৰ পৰিকল্পনা কৰা প্ৰথম পণবন্দীসকলৰ নাম প্ৰদান নকৰালৈকে যুদ্ধবিৰতি বলৱৎ নহ'ব। ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা এটা বিবৃতিযোগে জনাইছে যে, তেওঁ ইজৰাইল প্ৰতিৰক্ষা বাহিনীক ভাৰতীয় সময় অনুসৰি আজি দুপৰীয়া ১২ বজাৰ পৰা কাৰ্যকৰী হ'বলগীয়া যুদ্ধ বিৰতি আৰম্ভ নকৰিবলৈ নিৰ্দেশ দিছে। আনহাতে হামাছে কাৰিকৰী কাৰণত কিছু পলম হোৱা বুলি জনাইছে। যুদ্ধ বিৰতি চুক্তি অনুসৰি এই বিনিময়ৰ বাবে ২৪ ঘণ্টাৰ আগতে নামসমূহ প্ৰদান কৰিব লাগে।

০০০০০০০

খো-খো বিশ্বকাপৰ ফাইনেলত ভাৰতে আজি নেপালৰ বিৰুদ্ধে খেলিব। খেলখন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে খো-খো বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতৰ পুৰুষ দলে কালি ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক ৬২-৪২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। নেপালে ছেমি ফাইনেলত ইৰানক ৭২-২৯ পইণ্টত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ পূৰ্বে

ভাৰতীয় মহিলা দলে জয়ৰ ধাৰা অব্যাহত ৰাখি দক্ষিণ আফ্রিকাক ৬৬-১৬ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। মহিলা দলটো আজি ফাইনেলত নেপালৰ সন্মুখীন হ'ব।

০০০০০০০

**সমাপ্ত**